# 2017

## ASSAMESE

( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) কালিৰাম মেধিৰ সম্পাদনাত প্ৰকাশিত অংকীয়া নাটৰ সংকলনটোৰ নাম লিখা।

(খ) 'কুট্টু' ভাৰতবৰ্ষৰ কোন ৰাজ্যৰ লোকনাট্যানুষ্ঠান?

(গ) 'ভূষণ হৰণ' কাৰ ৰচনা?

(ঘ) ''ৰুক্মবীৰ অসমীয়াৰ ৰবৰোপা, ডেকা তেজত গুৰু গোসাঁই নমনা মইমতীয়া ডেকা।'' এইষাৰ কাৰ উক্তি?

(ঙ) ধৌম্য কোন?

(চ) 'জন্মযাত্ৰা' নাটৰ সূত্ৰ আৰু বচনসমূহৰ ক্ষেত্ৰত গোপাল আতা কোনখন গ্ৰন্থৰ ওপৰত নিৰ্ভৰশীল ?

(ছ) কুণ্ডিল যাত্ৰাকালত কৃষ্ণৰ ৰথচালকজনৰ নাম কি আছিল ?

২ । *এটা* বা *দুটা* বাক্যত উত্তৰ দিয়া : ২×৪=৮

(ক) মুক্তিমংগল ভটিমা কি ?

(খ) ''কৰ শাৰঙ্গ শৰ ধাৰু''—ইয়াত উল্লেখিত 'কৰ' আৰু 'শাৰঙ্গ' শব্দ দুটাৰ অৰ্থ লিখা ।

(গ) 'সুভদ্ৰা হৰণ' নাটত উল্লেখ থকা অৰ্জুনৰ অন্য দুটা নাম লিখা ।

(ঘ) ''আহে ভোজৰাজা, বসুদেৱক পুত্ৰ নাহি মাৰল॥'' এই কথাষাৰ কোনে, কাৰ আগত ব্যক্ত কৰিছে ?

৩ । প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো **তিনিছোৱা**) : ৫×৩=১৫

(ক) মুনি মুখে ৰূপ গুণ, শুনি মনে সখি ৱৰি,
মিলল হামাৰি পতি আশা ।
অৱবিধি ভেলি বাম বৈৰি মেৰি ভৈয়া ৰাম
সোহি আশা কয়লি নৈৰাশ॥

(খ) আহে বিধাতা, পৰম দেৱকু দেৱতা, সকল জগত সৃষ্টি কৰতা, হামাক ধৰ্ম অৰ্থ কাম মোক্ষ সকল সাধন হেতু নিৰ্মাণ কয়ল, সোহি ধৰ্ম দুষ্ট দৈত্য দানৱে দূৰ কয়ল তাহেৰ ভাৰ সহিতে নপাৰি, হামু অধোগতি যাওঁ, তোহাৰ আগে কি কহবো॥





(গ) আৰকত অধৰ বয়নে ৰুচি হাস ।
আয়ত নয়ন পঙ্কজ পৰকাশ॥
কৰযুগ কঙ্কণ কেয়ুৰ ৰঞ্জে ।
পঙ্কজ চৰণ ভকত ভয় ভঞ্জে॥

(ঘ) অঃ হামু বিদ্যমান থাকিতে কাহেক ভয়
থিক, হে ৰাজা সৱ, ক্ষত্ৰিয়ৰ ব্যৱহাৰ
নোহে নিৰ্ভয়ে ৰহ, নিৰ্ভয়ে ৰহ॥

(ঙ) মহা মহা যোগীজনে পৰম নিৰ্মল মনে
চিন্তিয়া নপাৱে লাগ যাৰে ।
সৱাৰো আতমা হৰি হাতে গোপী লৰু ধৰি
ধায়া ফুৰে তাৰে মাৰিবাৰে॥

৪ । তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ১০×৩=৩০

(ক) 'ৰুক্মিণী হৰণ' আৰু 'অৰ্জুন ভঞ্জন' নাট দুখনৰ আলমত শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্যৰীতিৰ পাৰ্থক্য বিচাৰ কৰা ।

(খ) শ্ৰীৰাম আতাৰ সাহিত্যিক প্ৰতিভাৰ বিষয়ে উল্লেখ কৰি 'সুভদ্ৰা হৰণ' নাটৰ সংলাপ আৰু গীত সম্পৰ্কে এটি আলোচনা যুগুত কৰা ।

(গ) শংকৰোত্তৰ যুগৰ নাট হিচাপে 'জন্মযাত্ৰা' নাটৰ এক বিশ্লেষণ আগবঢ়োৱা ।

(ঘ) মূলৰ পৰা আঁতৰি আহি মাধৱদেৱে 'অৰ্জুন ভঞ্জন' নাটত চৰিত্ৰসমূহ কিদৰে স্বকীয় ৰূপত সজাই তুলিছে, উদাহৰণসহ আলোচনা কৰা ।

(ঙ) ''ৰুক্মিণীৰ প্ৰেমৰ সুঁতিক ভক্তিস্ৰোতে প্ৰবল বেগে বোৱাই নি কৃষ্ণ-সমুদ্ৰত মিলাই দিছে।'' 'ৰুক্মিণী হৰণ' নাটৰ আলমত কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(চ) অংকীয়া নাটৰ প্ৰধান বিশেষত্বসমূহ বিশদভাৱে আলোচনা কৰা।

***